NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 14-**12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। লোকসভাত সংবিধানৰ ৭৫ বছৰজোৰা গৌৰৱময় যাত্ৰা সম্পৰ্কে অনুষ্ঠিত বিশেষ আলোচনাত অংশ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এই ৭৫ বছৰীয়া যাত্ৰা অতুলনীয় বুলি মন্তব্য কৰে।

২। ভাৰতৰ মহাকাশ অৰ্থব্যৱস্থাৰ পৰিধি পৰৱৰ্তী ১০ বছৰত তিনিগুণ বৃদ্ধি পাব।

৩। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণে পথ সুৰক্ষা বৃদ্ধি আৰু নিৰীক্ষণ ব্যৱস্থা সুদৃঢ় কৰাৰ উদ্দেশ্যে **ৰাজমাৰ্গ সাথী** নামৰ বাহন নিয়োগ কৰাৰ পৰিকল্পনা কৰিছে।

৪। দক্ষিণ কোৰিয়াৰ সংসদত আজি ৰাষ্ট্ৰপতি য়ুন চুক য়েঅ'লৰ বিৰুদ্ধে মহাভিযোগ প্ৰস্তাৱ গ্ৰহণ কৰে।

*আৰু*

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ব্ৰিজবেনত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি প্ৰথম দিনাৰ খেল বৰষুণৰ বাবে ব্যাহত হয়।

০০০০০০০০

লোকসভাত সংবিধানৰ ৭৫ বছৰজোৰা গৌৰৱময় যাত্ৰা সম্পৰ্কে অনুষ্ঠিত বিশেষ আলোচনাত অংশ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এই ৭৫ বছৰীয়া যাত্ৰা অতুলনীয় বুলি মন্তব্য কৰে। তেওঁ সংবিধানৰ প্ৰনেতাসকলৰ লগতে সুদীৰ্ঘ সময়জুৰি সংবিধানৰ প্ৰতিটো নীতি-আদৰ্শ শ্ৰদ্ধাৰে অনুসৰণ কৰি অহা দেশৰ জনসাধাৰণক শ্ৰদ্ধা জ্ঞাপন কৰে। ভাৰতৰ স্বকীয়তাত বৈচিত্ৰৰ মাজত ঐক্য নিবদ্ধ হৈ আছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, এই বৈচিত্ৰক উদযাপন কৰিয়েই দেশৰ প্ৰগতি সুনিশ্চিত হৈছে।

ইয়াৰ পূৰ্বে, আলোচনাত অংশ লৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সংবিধান প্ৰণয়নৰ ক্ষেত্ৰত ড০ ভীমৰাও আম্বেদকাৰৰ অৱদানৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংবিধানৰ ভাবনা অনুযায়ী **সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস** মন্ত্ৰৰে কাম কৰি আছে। দেশে স্বাধীনতাৰ পাছৰে পৰা সকলোৰে বাবে সম অধিকাৰ সুনিশ্চিত কৰি আহিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেক কৰে। তেওঁ কয়, যে দেশত সংখ্যালঘূৰ বিৰুদ্ধে কোনো বৈষম্য হোৱা নাই আৰু সংখ্যালঘূ সম্প্ৰদায়ৰ লোকসকলে আইনী সুৰক্ষা লাভ কৰি আহিছে। তেওঁ লগতে কয়, যে দেশত ছটা সংখ্যালঘূ সম্প্ৰদায়ৰ কল্যাণৰ বাবে ভালেমান আঁচনি ৰূপায়ণ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে জনসাধাৰণে ভাৰতৰ বিষয়ে কিবা কোৱাৰ সময়ত সতৰ্ক হোৱা উচিত কিয়নো, সেই কথাই দেশৰ গোলকীয় প্ৰতিচ্ছবি প্ৰভাবিত কৰিব পাৰে। তেওঁ লগতে ২০১৪ চনত এন ডি এ চৰকাৰে ক্ষমতা গ্ৰহণ কৰাৰ পাছৰে পৰা উত্তৰ-পূৰ্বাঞ্চলত হোৱা বিভিন্ন কামকাজৰ বিষয়ে আলোকপাত কৰে। শ্ৰী ৰিজিজুৱে কয়, যে ১৯৪৭ চনৰ পৰা ২০১৪ চনলৈ উত্তৰ-পূৰ্বাঞ্চলত মাত্ৰ ৯টা বিমান বন্দৰ নিৰ্মাণ কৰা হৈছিল। কিন্তু বিগত ১০ বছৰতে বিমান বন্দৰৰ সংখ্যা ১৭লৈ বৃদ্ধি পাইছে। একেদৰে ২০১৪ চনলৈ প্ৰায় ১১ হাজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ

নিৰ্মাণ কৰা হৈছিল আৰু বিগত ১০ বছৰত ১৬ হাজাৰ কিলোমিটাৰৰো অধিক ঘাইপথ নিৰ্মাণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

আলোচনাত ভাগ লৈ ডি এম কেৰ এ ৰাজাই গণতন্ত্ৰ, আইনৰ শাসন, ধৰ্মনিৰপেক্ষতা আৰু সমতাৰ বিষয় উত্থাপন কৰে। ডি ৰাজাই শাসকীয় পক্ষৰ সদস্যসকলৰ বিৰুদ্ধে কৰা মন্তব্যক লৈ শাসকীয় আৰু ডি এম কেৰ সদস্যসকলৰ মাজত তীব্ৰ বাক-বিতণ্ডাৰ সৃষ্টি হয়।  শাসকীয় পক্ষৰ সাংসদসকলে তেওঁৰ মন্তব্যৰ বিৰোধিতা কৰে আৰু ডি এম কেৰ সাংসদগৰাকীয়ে ক্ষমা খুজিব লাগে বুলি দাবী জনায়। সেইসময়ত সদনৰ কাম পৰিচালনাৰ দায়িত্বত থকা সভাপতি জগদম্বিকা পালে এ ৰাজাক কাৰো বিৰুদ্ধে এনে মন্তব্য নকৰিবলৈ সকীয়াই দিয়ে আৰু সাংসদগৰাকীৰ মন্তব্য সদনৰ কাৰ্য বিবৰণীৰ পৰা বাদ দিবলৈ কয়। টি ডি পিৰ লৱু শ্ৰী কৃষ্ণ দেৱৰায়লুয়ে কয়, যে সংবিধান প্ৰণয়নৰ কামত ড০ বি আৰ আম্বেডকাৰৰ লগতে ৩৮৯ গৰাকী সদস্য আছিল। বিজেপিৰ সাংসদ তেজস্বী সূৰ্যই ডিএমকে আৰু কংগ্ৰেছক সমালোচনা কৰি কয়, যে তেওঁলোকে ১৯৭৪ চনত সংবিধানৰ প্ৰক্ৰিয়া অনুসৰন নকৰাকৈ কচ্চাটিবু নামৰ দ্বীপটো শ্ৰীলংকাক গতাই দিছিল। কংগ্ৰেছৰ ৰাজনৈতিক কাৰণৰ বাবে এই গুৰুত্ব দ্বীপটো গতাই দিয়া হৈছিল বুলিও তেওঁ দাবী কৰে।

আলোচনাত অংশ লৈ লোকসভাত বিৰোধী পক্ষৰ নেতা তথা কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে  বিজেপিয়ে সংবিধানক দুৰ্বল কৰা বুলি অভিযোগ তোলে। তেওঁ লগতে কৰ্মসংস্থাপনহীনতা, অগ্নিবীৰ আঁচনি, ব্যৱসায় আৰু চৰকাৰী বিষয়াৰ মাজৰ পৰস্পৰিক লাভালাভৰ সম্পৰ্ক আধাৰিত ক্ৰ'নি কেপিটেলিজিম আৰু খেতিয়ক তথা মহিলাৰ বিৰুদ্ধে সংঘটিত আতিশয্যক লৈ প্ৰশ্ন উত্থাপন কৰে। বৰ্তমানৰ চৰকাৰৰ শাসন কালত ৰাজনৈতি, সামাজিক আৰু অৰ্থনৈতিক সমতা সম্পূৰ্ণৰূপে লোপ পোৱা বুলিও শ্ৰী গান্ধীয়ে অভিযোগ তোলে। তেওঁ কয়, যে কংগ্ৰেছ দল ক্ষমতালৈ আহিলে তেওঁলোকে জাতিগত পিয়ল অনুষ্ঠিত কৰিব আৰু সংৰক্ষণৰ ক্ষেত্ৰত থকা ৫০ শতাংশ উৰ্ধতম সীমাৰ বিলুপ্তি কৰিব।

০০০০০০০০

ভাৰতৰ মহাকাশ অৰ্থব্যৱস্থাৰ পৰিধি পৰৱৰ্তী ১০ বছৰত তিনিগুণ বৃদ্ধি পাব। নতুন দিল্লীত আজি ব্যক্তিগত সংবাদ গোষ্ঠীয়ে আয়োজন কৰা ভাৰতীয় অৰ্থনীতি সন্মিলন সম্বোধন কৰি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰত ইয়াক মহাকাশ খণ্ডক গোলকীয় মানৰ পৰ্যায়লৈ লৈ যোৱাৰ দিশে অগ্ৰসৰ হৈছে। দেশে ২০১৪ চনৰ পৰা মহাকাশ খণ্ডত চকুতলগা ধৰণৰ প্ৰগতি লাভ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বৰ্তমান বিশ্ব মহাকাশ অৰ্থনীতিত ভাৰতীয় মহাকাশ ক্ষেত্ৰৰ অৱদান ৮ৰ পৰা ৯ শতাংশ। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাকাশ ক্ষেত্ৰৰ দ্বাৰ ব্যক্তিগত খণ্ডৰ বাবে মুকলি কৰিছে। ইয়াৰ ফলত অপাৰ সুযোগৰ সৃষ্টি হৈছে। ২০৩৫ চনৰ ভিতৰত ভাৰতৰ নিজা মহাকাশ কেন্দ্ৰ হ'ব বুলি ড০ সিঙে জানিবলৈ দিয়ে।

০০০০০০০০

ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণে পথ সুৰক্ষা বৃদ্ধি আৰু নিৰীক্ষণ ব্যৱস্থা সুদৃঢ় কৰাৰ উদ্দেশ্যে **ৰাজমাৰ্গ সাথী** নামৰ বাহন নিয়োগ কৰাৰ পৰিকল্পনা কৰিছে। যোগাযোগ আৰু সুৰক্ষা আহিলাৰে সু-সজ্জিত এই বাহনসমূহে চলাচলৰ

সময়ত হোৱা বিঘ্নি কম আৰু পথ সুৰক্ষা উন্নত কৰাত সহায় কৰিব। এই বাহনসমূহত কৃত্ৰিম বুদ্ধিমত্তা চালিত কেমেৰা থাকিব আৰু এই কেমেৰাৰ জৰিয়তে পথৰ গাত চিনাক্তে কৰিব পৰা যাব।

oooooooo

অৰুণাচল প্ৰদেশৰ নাহৰলগুণৰ এখন বিদ্যালয়ত আজি এটা পানীৰ টেংকি ফাটি যোৱাৰ ফলত তিনিজন ছাত্ৰৰ মৃত্যু হোৱাৰ উপৰি দুজন ছাত্ৰ গুৰুতৰভাৱে আহত হয়।নাহৰলগুণৰ আৰক্ষী অধীক্ষক মিহিন গাম্বোৱে প্ৰকাশ কৰা মতে আজি পুৱাৰ ভাগত এই ঘটনা সংঘটিত হয়। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে ভৰনটোৰ স্বত্বাধিকাৰী, চাৰিগৰাকী ৱাৰ্ডেনকে ধৰি মুঠ ছজন লোকক আটক কৰিছে।

oooooooo

ভাৰতীয় ৰিজাৰ্ভ বেংকে আমানত বিহীন কৃষি ঋণৰ সীমা এক লাখ ৬০ হাজাৰ টকাৰ পৰা দুই লাখ টকালৈ বৃদ্ধি কৰাৰ কথা ঘোষণা কৰিছে। অহা বছৰৰ ১ জানুৱাৰীৰ পৰা ইয়াক কাৰ্যকৰী কৰা হ'ব। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰ্যালয়ে এখন বিবৃতি যোগে কয়, যে এই সিদ্ধান্তই কৃষকসকলৰ ওপৰত মুদ্ৰাস্ফীতি আৰু কৃষি সামগ্ৰীৰ বৰ্ধিত ব্যায়ৰ প্ৰভাব পৰাৰ কথাটো স্বীকাৰ কৰিছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি বেংকসমূহক তেওঁলোকৰ এলেকাৰ ভিতৰত থকা কৃষক আৰু ইয়াৰ অংশীদাৰসকলক সজাগ কৰি তোলাৰ উদ্দেশ্যে ব্যাপক প্ৰচাৰ অভিযান চলাবলৈ নিৰ্দেশ দিয়া হৈছে।

oooooooo

নৌসেনাৰ মুৰব্বী এডমিৰেল দিনেশ কে ত্ৰিপাঠী  চাৰিদিনীয়া আনুষ্ঠানিক ভ্ৰমণসূচীৰে ইণ্ডোনেছিয়াত উপস্থিত হৈছে। এই ভ্ৰমণৰ সময়ত তেওঁ ইণ্ডোনেছিয়াৰ চৰকাৰৰ শীৰ্ষ বিষয়া আৰু প্ৰতিৰক্ষা বিষয়াসকলৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।নৌসেনাৰ মুৰব্বীগৰাকীয়ে ইণ্ডোনেছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী, অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল শ্বাফ্ৰি শ্বামছ'ইদ্দিন; ইণ্ডোনেছিয়াৰ সশস্ত্ৰ বাহিনীৰ অধিনায়ক জেনেৰেল আগুছ চুবিয়াণ্টো; আৰু ইণ্ডোনেছিয়াৰ নৌসেনাৰ মুৰব্বী এডমিৰেল মহম্মদ আলীৰ সৈতে বৈঠকত মিলিত হব। এই আলোচনাই প্ৰতিৰক্ষা সহযোগিতাৰ বিস্তৃত ক্ষেত্ৰসমূহ, বিশেষকৈ সামুদ্ৰিক নিৰাপত্তা, যুটীয়া প্ৰশিক্ষণৰ পদক্ষেপ, আৰু দুয়ো দেশৰ নৌসেনাৰ মাজত কাৰ্য্যকৰী সহযোগিতা অধিক শক্তিশালী কৰাৰ পথৰ অন্বেষণ কৰিব।  শ্ৰী ত্ৰিপাঠীৰ এই ভ্ৰমণ ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজত দ্বিপাক্ষিক প্ৰতিৰক্ষা সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বাবে চলি থকা প্ৰচেষ্টাৰ অংশ বুলি  প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰে। মন্ত্ৰালয়ে লগতে এই পদক্ষেপে  ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ভাৰত-ইণ্ডোনেছিয়া সামুদ্ৰিক সহযোগিতা বিনিময় সন্দৰ্ভত দুয়ো দেশৰ দৃষ্টিভংগীৰ সাদৃশ্যকে আলোকপাত কৰিছে বুলি উল্লেখ কৰে।

০০০০০০০০

চলিত মাহৰ আৰম্ভণিতে দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি ইউন চুক ইয়লৰ হ্ৰস্বকালীন সামৰিক আইন ঘোষণাক লৈ আজি দেশখনৰ সংসদে ভোটদান কৰি মহাঅভিযোগ দাখিল কৰে। ৰাষ্ট্ৰখনৰ সংসদত ২০৪-৮৫ ভোটত এই প্ৰস্তাৱ গৃহীত হয়। সংসদে এই মহাভিযোগ দাখিল কৰাৰ পাছত সাংবিধানিক আদালতে যেতিয়ালৈ তেওঁক পদত পুনৰ বাহাল ৰাখিব নে অপসাৰণ কৰিব সেই সিদ্ধান্ত গ্ৰহণ নকৰে তেতিয়ালৈ ৰাষ্ট্ৰপতি ইউনৰ ক্ষমতা কৰ্তন কৰি ৰখা হ'ব । সংবাদ মাধ্যমৰ তথ্য অনুসৰি, এই সময়ছোৱাত দেশদ্ৰোহত অভিযুক্ত আৰু অপৰাধমূলক গোচৰৰ তদন্ত চলি থকাৰ পৰিপ্ৰেক্ষিতত ইউনৰ ওপৰত দেশ এৰি যোৱাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে আৰু আদালতে ৰায়দান নকৰালৈকে তেওঁ ছুটীত থাকিব। আদালতে তেওঁক অপসাৰণৰ ৰায়দান কৰিলে ৬০ দিনৰ ভিতৰত ৰাষ্ট্ৰপতি পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিব। যদিহে আদালতে তেওঁৰ সপক্ষে ৰায়দান কৰে তেন্তে দক্ষিণ কোৰিয়াৰ ইতিহাসত মহাভিযোগৰ জৰিয়তে কাৰ্যভাৰৰ পৰা অপসাৰণ কৰা য়ুন দ্বিতীয়জন ৰাষ্ট্ৰপতি হিচাবে পৰিগণিত হব।ইয়াৰ আগেয়ে ২০১৭ চনত প্ৰাক্তন ৰাষ্ট্ৰপতি পাৰ্ক গেউন-হাইক এনেদৰে অপসাৰণ কৰা হৈছিল।

০০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ব্ৰিজবেনত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি প্ৰথম দিনা ১৩ অভাৰ আৰু ২টা বল খেলাৰ সময়ত বৰষুণৰ বাবে খেল বন্ধ ৰাখিবলগীয়া হয়। সেই সময়ত অষ্ট্ৰেলিয়াই এটাও উইকেট নেহেৰুৱাকৈ ২৮ ৰান সংগ্ৰহ কৰি খেলি আছিল। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। এইখন খেলৰ বাবে ৰবীচন্দ্ৰন অশ্বীন আৰু হৰ্ষিত ৰানাৰ ঠাইত ৰবীন্দ্ৰ জাদেজা আৰু আকাশ দ্বীপক ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰা হৈছে। কাইলৈ দ্বিতীয় দিনৰ খেল নিৰ্ধাৰিত সময়ৰ আধাঘণ্টা পূৰ্বে আৰম্ভ হ'ব।

০০০০০০০০

সমাপ্ত